Nodal Teacher,
Chhamaria Anchalik College

# PROJECT REPORT

*ON*

# ENVIRONMENTAL STUDIES

NAME OF THE PLACE: UKIAM,

DIST. KAMRUP, ASSAM

BY-


Nodal Teacher
Chhamaria Anchalik College

ALIVA KALITA,

2ND SEMESTER, ROLL NO. 0034

CHHAMARIA ANCHALIK COLLEGE


*Botany*



Name. Aliva Kalita

Class 2nd sem Roll. 0034. Year 20 23

हिन्दी दिवस

Expt. No.

Page No.

Date.

# কৃতজ্ঞতা স্বীকাৰ

পৰিৱেশ হ'ল এনে এক পৰিস্থিতি যাৰ অবিহনে ই জীয়াই থকাটো অসম্ভৱ। সেয়েহে পৰিৱেশৰ এই উদ্দেশ্য আগত ৰাখিয়ে স্নাতক মহলাৰ দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক 'পৰিৱেশ অধ্যয়নৰ নামৰ পাঠ্যপুথিখন অধ্যয়ন কৰিবলৈ দিয়া হয়। এই পাঠ্যপুথিখন অধ্যয়ন কৰি যাতে পৰিৱেশ সংৰক্ষণ কৰাৰ ক্ষেত্ৰত নিজৰ লগতে আনকো সজাগ কৰিবলৈ জ্ঞান অৰ্জন কৰিব পাৰে।

প্ৰকৃতিৰ কিছু কথা ছাত্ৰ-ছাত্ৰীসকলে জনাৰ বাবেই ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ পৰা প্ৰকৃতিৰ সৌন্দৰ্য্যময় দৃশ্য উপভোগ কৰিবলৈ আৰু ঠাইখনৰ বিষয়ে জানিবলৈ পৰ্যটনস্থলী হিচাপে খ্যাত 'উকিয়াম' লৈ নিয়ে। ঠাইখনৰ বিষয়ে জানিবলৈ তথ্য সংগ্ৰহ কৰোঁত ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° লোহিত বৰা ছাৰ, মিৰ্জা আবদুৰ ৰহিম মোল্লাহ ছাৰ আৰু অৰ্থনীতি বিভাগৰ অধ্যাপক আজিজুল হক ছাৰে যথেষ্ট সহায়-সহযোগিতা আগবঢ়াইছে। তেওঁলোকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে মহাবিদ্যালয় আৰু এই ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱীসকললৈও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

Nodal Teacher,
Chhamaria Anchalik College

* * * * *

Principal
Chhamaria Anchalik College

Teacher's Signature ........................

OXFORD

# সূচীপত্র

Expt. No.

Page No.
Date.


| | | পৃষ্ঠা নং |
|---|---|---|
| ১) উদ্দেশ্য | — | ১ |
| ২) বিবরণ | — | ১ - ২ |
| ৩) ভৌগোলিক দিশ | — | ২ - ৩ |
| ৪) সামাজিক দিশ | — | ৩ - ৬ |
| ক) সংস্কৃতি | | |
| খ) শিক্ষা ব্যবস্থা | | |
| গ) যাতায়ত ব্যবস্থা | | |
| ঘ) চিকিৎসা ব্যবস্থা | | |
| ৫) প্রাকৃতিক পরিবেশ | — | ৬ - ১০ |
| ৬) পরিবেশ প্রদূষণ | — | ১১ |
| ৭) সামৰণি | — | ১২ |
| ৮) মন্তব্য | — | ১২ - ১৩ |


Principal
Chhamaria Anchalik College

Head Teacher,
Chhamaria Anchalik College

Teacher's Signature ........................

OXFORD®

## ① ≈ উদ্দেশ্য ≈

প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদৰ সুসংৰক্ষণৰ বাবে পৰিৱেশ অধ্যয়ন অতি আৱশ্যকীয়। পৰিৱেশত বাস কৰা সকলো প্ৰাণী আৰু উদ্ভিদৰ জীৱন সাঙুৰ খাই আছে। সেয়েহে পৰিৱেশ বিজ্ঞানীৰ লগতে শিক্ষাবিদ, ৰাজনীতিবিদ, সমাজসেৱক, আইন-জীৱী সকলোৱে সম্মিলিত প্ৰচেষ্টাৰ দ্বাৰা পৰিৱেশক মজবুত কৰি ৰখা দৰকাৰ। এই লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি ক্ষেত্ৰ অধ্যয়ন কাৰ্যটো হাতত লোৱা হৈছে।

## ② ≈ বিৱৰণ ≈

অসম মেঘালয় সীমান্তৱৰ্তী এখন সৰু গাঁও হ'ল উকিয়াম। প্ৰাকৃতিক পৰিৱেশৰে আবৃত এই গাঁওখনে অতি সহজে সকলোকে আকৰ্ষিত কৰিব পাৰে। সেয়েহে শীতকালীন সময়ছোৱাত এই ঠাইত লোক-লোকাৰণ্য হোৱা দেখা যায়। ছয়গাঁৱৰ দক্ষিণ দিশত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ২৭ কি:মি: দূৰত্বত উকিয়াম গাঁওখন অৱস্থিত। ইয়াৰ ঠিকনা ক'বলৈ হ'লে কিছু এনেধৰণৰ - ইয়াৰ ডাকঘৰ - উকিয়াম, পিন নং - ৭৮১১২৪, জিলা - কামৰূপ (অসম)। অতি কম জনসংখ্যাৰে ভৰা এই অঞ্চলটোৰ লোকসকল সহজ-

Principal
Chhamaria Anchalik College
Teacher's Signature


সবল প্ৰমাণৰ। অসমৰ বিভিন্ন পিছপৰা অঞ্চলসমূহৰ ভিতৰত উকিয়ামৰ নমুনাটো সাঙুৰি ল'ব পাৰি। পৰিষ্কাৰ - পৰিচ্ছন্নতাৰ দিশৰ পৰা চাবলৈ গ'লে উকিয়া-মক আগশাৰীত ৰাখিব পাৰি। কাৰণ বেছি উন্নত নহ'লেও ইয়াৰ লোকসকলে পৰিষ্কাৰ - পৰিচ্ছন্নতা অৱলম্বন কৰি ৰাখে।

## ৩ ~ ভৌগোলিক দিশ ~

উকিয়াম প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ জনজাতি অধ্যুষিত অঞ্চল। মেঘালয়ৰ পৰা বৈ অহা ঘাগা, জ্ৰী আৰু দ্ৰোন এই তিনিখন নদীৰ সংগমস্থল যাক ত্ৰিবেণী সংগম বুলি কোৱা হয়। বনভোজৰ বাবে উপযোগী ঠাই। ছয়গাঁৱৰ দক্ষিণ দিশত, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ২৭ কিঃ মিঃ দূৰত্বত অসম মেঘালয় সীমান্তত অৱস্থিত। অসম আৰু মেঘালয় দুয়োখন ৰাজ্যক সংযোগ কৰে পুৰণি লোৰ বস্তুৰে নৈৰ ওপৰত নিৰ্মিত ইটাৰ গোমবোজেৰে দুই মূৰ বান্ধি ৰখা এখন ওলোমা দলং ও। এই দলংখন প্ৰায় ১০০ মিটাৰ দৈৰ্ঘ্যৰ দীঘল। উকিয়ামৰ কাষেৰে 'খিৰি' নামেৰে এখন নদী বৈ গৈছে।

উকিয়ামৰ চাৰিসীমাৰ বিষয়ে তলত উল্লেখ কৰা হ'ল —

Principal
Chhamaria Anchalik College
Head Teacher,
Chhamaria Anchalik College
Teacher's Signature


Raniba
Shira
losed
Ukium Secondary
Picnic Spot
Umkhamdor
Umdiangsiar
amar
Bare G
No.

(i) পূব = মেঘালয়।
(ii) পশ্চিম = বাইৰনজং, ৰানীবাৰী, এফ.ভি।
(iii) উত্তৰ = বাংগলী বিলা এন.চি, ৰানী মামাৰ।
(iv) দক্ষিণ = উমদিয়াংচিয়াৰ, নংগচপুৰেয়াচাই।

④ ~ সামাজিক দিশ ~

অতি সহজ-সৰল লোকেৰে ভৰা উকিয়াম অন বৰ্তমান পৰ্যটনস্থলী হিচাপে প্ৰসিদ্ধ। স্থানীয় লোকসকলৰ মতে উকিয়াম ৰজা এজনৰ নামতে সেই ঠাইৰ নাম হৈ পৰে 'উকিয়াম'। গাওঁখনত প্ৰায় ১০০ ঘৰমান পৰিয়ালে বাস কৰে। বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে ইয়াত মিলাপ্ৰীতিৰে বসবাস কৰি আহিছে। এই অঞ্চলৰ লোকসকল আৰ্থিকভাৱে দুৰ্বল। বহু সংখ্যক লোক কৃষি-কাৰ্যৰ লগত জড়িত। ইয়াৰ লোকসকলৰ প্ৰধান খাদ্য ভাত। সেই ঠাইত পুৰুষে যিমান অধিকাৰ লাভ কৰে সেইএকে অধিকাৰ মহিলাসকলেও লাভ কৰে। সকলোৱেই নিজৰ নিজৰ কৰ্ম দক্ষতাৰে আগুৱাই যাব পাৰে। ধান, তামুল, কল আদিৰ খেতি কৰা তাত দেখা যায়। পিছপৰা অঞ্চল হোৱা বাবে ইয়াৰ লোকসকলে বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। সাধাৰণতে গাওঁখনৰ সামাজিক

Principal
Chhamaria Anchalik College
Nodal Teacher,
Chhamaria Anchalik College
Teacher's Signature ........

দিশ্চা সম্পৰ্কে ক'বলৈ গ'লে ইয়াৰ সংস্কৃতি, শিক্ষা ব্যৱস্থা, যাতায়াত ব্যৱস্থা, চিকিৎসা ব্যৱস্থা এই গোটেই কেইটাকে সামৰি ল'ব লাগিব। এই আটাইকেইটাৰ বিষয়ে তলত আলোচনা কৰা হ'ল —

## (ক) ~ সংস্কৃতি ~

প্ৰত্যেক ঠাইৰে নিজা নিজা কিছুমান সংস্কৃতি আছে। ঠিক একেদৰে ঢেকিয়ামবাসী লোকসকলোৰো নিজা সংস্কৃতি আছে। অৱশ্যে ইয়াত জাতি-জনগোষ্ঠী যেনে গাৰো, ৰাভা, সাঁচো, নেপালী আদি বিভিন্ন লোকে বাস কৰে, সেইসকলৰ পৰা চাবলৈ গ'লে প্ৰত্যেকৰে সংস্কৃতি বেলেগ বেলেগ। ইয়াৰ লোকসকল খ্ৰীষ্টান ধৰ্মালম্বী লোক। সেয়ে ২৫ ডিচেম্বৰৰ দিনা বৰদিন পালন কৰে আৰু সমূহীয়াভাৱে উলহ-মালহেৰে বিভিন্ন এইন-এইন উৎসৱ পাৰ্বনও পালন কৰে। গীৰ্জা হ'ল এই অঞ্চলৰ লোকসকলৰ উপাসনা স্থলী। ঢেকিয়ামত অৱস্থিত গীৰ্জাটো ১৯০৫ চনত স্থাপন কৰা হৈছিল যদিও এই অঞ্চলৰ লোকসকলে ২০১২ চনৰ পৰা হে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ মানুহৰ খাদ্য সমূহ হ'ল — চুঙাত দিয়া ভাত, মাছ, মাংস আদি।

OXFORD

Principal
Chhamaria Anchalik College

Nodal Teacher,
Chhamaria Anchalik College

Teacher's Signature ..........

## (খ) ~ শিক্ষা ব্যৱস্থা ~

উকিয়ামৰ লোকসকলৰ মাজৰ কিছু পৰিমাণ লোকহে শিক্ষিত। সেই ঠাইৰ শিক্ষিতৰ হাৰ শতকৰা ১০ শতাংশ। ইয়াৰ কিছুলোকহে চাকৰিয়াল আৰু আন লোকে ব্যৱসায়-বাণিজ্য কৰিহে নিজৰ জীৱন-নিৰ্বাহ কৰে। শিক্ষা ব্যৱস্থাৰ বাবে ইয়াত দুখনকৈ প্ৰাথমিক বিদ্যালয়, এখন মধ্য ইংৰাজী বিদ্যালয় আৰু এখন বেচৰকাৰী হাইস্কুল আছে। উচ্চ শিক্ষা গ্ৰহণৰ বাবে সেই ঠাইৰ শিক্ষাৰ্থীসকল শিলং, গুৱাহাটী, তুৰা আদি ঠাইলৈ যাব লগা হৈছে। বৰ্তমান সময়ত এই ঠাইত শিক্ষিতৰ হাৰ আগতকৈ বাঢ় অহা দেখা গৈছে।

## (গ) ~ যাতায়ত ব্যৱস্থা ~


উকিয়ামলৈ যোৱা ৰাস্তা-ঘাটবোৰ ভাল যদিও তাত যাতায়ত খুব কম পৰিমাণে দেখা যায়। পাহাৰীয়া ভিতৰুৱা অঞ্চল হোৱা বাবে যানবাহনৰ চলাচল কম। সেই ঠাই লোকসকলে অন্য ঠাইলৈ যাব লগা হ'লে চাইকেল বা নিজৰ গাড়ী ব্যৱহাৰ কৰে। কেতিয়াবা অতি জৰুৰী অৱস্থাৰ সময়ত তাত যান-বাহন পোৱাটো কঠিন হৈ পৰে।

Principal
Chhamaria Anchalik College

Nodal Teacher,
Chhamaria Anchalik College

Teacher's Signature

OXFORD®



Nodal Teacher,
Chhamaria Anchalik College

## ঘ ~ চিকিৎসা ব্যৱস্থা ~

উকিয়ামুত্ত কোনো উন্নত চিকিৎসা ব্যৱস্থা নাই। তাত কোনো চিকিৎসালয় স্থাপন কৰা হোৱা নাই। সেই অঞ্চলটোৰ লোকে চিকিৎসা সেৱা গ্ৰহণ কৰে তাত থকা উপস্বাস্থ্য কেন্দ্ৰৰ পৰা। উন্নতমানৰ চিকিৎসাৰ বাবে বৰকো, গুৱাহাটী আদি ঠাইলৈ যাবলগীয়া হয়।

## ঙ ~ প্ৰাকৃতিক পৰিৱেশ ~

জীয়াই থাকিবলৈ জীৱক এটা উপযুক্ত পৰিৱেশ প্ৰয়োজন এটা উপযুক্ত পৰিৱেশতহে জীৱৰ সৃষ্টি, বৃদ্ধি আৰু বিকাশ ঘটিব পাৰে। উকিয়াক সকলো চাৰিওফালেই প্ৰাকৃতিক পৰিৱেশে বিৰাজ কৰি আছে। তাত থকা গছ-গছনি, পাহাৰ, নদী আদিয়ে উকিয়ামৰ সৌন্দৰ্য্য বঢ়াইছে। বৃক্ষ, গুল্ম, লতা, তৃণ জাতীয় বিভিন্ন প্ৰকাৰ গছ-গছনি তাত পৰিলক্ষিত হয়। এই সকলো প্ৰকাৰৰ গছ-গছনি সমূহৰ স্থানীয় নামৰ লগতে বৈজ্ঞানিক নামসমূহ তলত উল্লেখ কৰা হ'ল —

Principal
Chhamaria Anchalik College

Nodal Teacher,
Chhamaria Anchalik College



Expt. No.

Page No. 9
Date.

## ~ বৃক্ষ ~

| স্থানীয় নাম | বৈজ্ঞানিক নাম |
| --- | --- |
| চেগুন | Tectona grandis |
| আম | Mangifera Indica |
| তেঁতেলী | Tamarindus Indica |
| শিমলু | Bombax ceiba |
| নাৰিকল | Borassus Flabelkiker |
| কেচেৰু | Heteropanax |
| আমলখি | Phyllanthus emblica |
| মহানিম | Azadirachta Indica |
| ভেৰেলা | Jatrapha curcus |
| ঔ টেঙা | Dillenia Indica |

Principal
Chhamaria Anchalik College

Nodal Teacher,
Chhamaria Anchalik College.

Teacher's Signature ..............................

Expt. No.

Page No. ৮
Date.

## ~ গুল্ম ~

| স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|
| জবা | Hibiscus rose- sinensis |
| ডালিম | Punica granatum |
| বগৰী | Cassia Biflora |
| অমিতা | Carica Papaya |
| নৰসিংহ | Murraya Koenigei |
| মধুৰিআম | Psidium guajana |
| গোলাপ | Rosa |
| নাৰ্জী | Tagetes |
| কল | Musa Sp. |
| জেতুকা | Lawsonia inermis |
| টকৌ | Barassus flabellifer |

Principal
Chhamaria Anchalik College

Teacher's signature

Chhamaria Anchalik College

Expt. No.



| স্থানীয় নাম | বৈজ্ঞানিক নাম |
| --- | --- |
| মিৰিকাজাই | Jasminum Malabericum |
| কামিনী | Murraya Pamiculeta |
| তাম্বুল | Arecacatechu |
| খেজুৰ | Phoenix dactylifera |
| নয়নতৰা | Catharanthus roseus |
| মানিমুনি | Centella asiatica |
| টেঙেচি | Oxalis carniculata |
| ঢেঁকিয়া | Diplezium dactylon |
| বিহলঙনি | Amphineuron opulantum |
| লাজুকীবন | Minasa Pudica |
| ক্ষুহিলবন | Acmella |
| কেঞাবন | Kyllinga Monocephala |

Principal
Chhamaria Anchalik College

Model Teacher,
Chhamaria Anchalik College

Teacher's Signature

Expt. No.



| স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|
| বাঁহ | Bambusaidiae |
| কচু | Calocusia exculenta |
| কপৌ | Rhynchostylis retusa |
| দোৰান | Leucas aspera. |

## লতা

| স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|
| পান | Piper betle |
| জালুক | Piper nigrum L. |
| তেলাকুচা | Coccinia grandis |
| প্ৰেমলতা | Mikania Mecraather. |

Principal
Chhamaria Anchalik College

Nodal Teacher,
Chhamaria Anchalik College

Teacher's Signature ..............................

## ৬ ~ পৰিৱেশ প্ৰদূষন ~

মানুহৰ সংখ্যা যিমানে বাঢ়ি আহিব সিমানে পৰিৱেশ প্ৰদূষন হ'ব। কিয়নো মানুহে নিজৰ প্ৰয়োজন অনুসাযী পৰিৱেশ বিনষ্ট কৰা বাবে পৰিৱেশ প্ৰদূষন হৈ আহিছে। ঠিক একেদৰে, উকিয়ামটো পাহাৰ-পৰ্বত, হাবি-বন, গছ-গছনি আদি কাটি মানুহে তাত বসবাস কৰি আছে। যিহেতু উকিয়ামক এমন পৰ্যটনস্থলী হিচাপে লোৱা হৈছে, সেয়ে তাত যান-বাহনৰ পৰিমাণ বাঢ়ি আহিছে। যাৰ ফলত যান-বাহনৰ ধোঁৱাই বায়ু প্ৰদূষন কৰে। তাত থকা নদীটোৰ কিছুমানে জাবৰ-জোঁথৰ পেলাই প্ৰদূষন কৰে। মানুহে বিভিন্ন প্লাষ্টিক ব্যৱহাৰ কৰে আৰু সেইবোৰ মাটিত পেলাই দিয়ে যাৰ ফলত মাটিত মিলি যাব নোৱাৰাৰ ফলত মাটিও প্ৰদূষিত হয়।

Principal
Chhamaria Anchalik College

Nodal Teacher,
Chhamaria Anchalik College

Teacher's Signature ..........................

OXFORD



Nodal Teacher,
Chhamaria Anchalik College

Expt. No.



## ৭ ~ সামৰণি ~

উকিয়াম এখন এনেকুৱা ঠাই য'ত প্ৰকৃতিৰ লগত অতি বিৰলভাৱে পৰিচিত হ'ব পাৰি। ইয়াৰ প্ৰকৃতিৰ ৰূপ-সৌন্দৰ্য্যই মানুহৰ মন-মগজু মুগ্ধ কৰিব পাৰে আৰু ইয়াৰ নদীসমূহ আৰু নিজৰাবোৰৰ কুলু-কুলু শব্দই নিঃশব্দ প্ৰকৃতিৰ মাজত থাকি মানুহৰ মন জয় কৰিবলৈ সক্ষম হয়।

চৰকাৰী উদ্যোগত গঢ়ি উঠা এই পৰ্যটনস্থলীত অনুষ্ঠিত কৰা হয় নদী উৎসৱ। বিভিন্ন সময়ত বিভিন্ন সংস্থা লগতে চৰকাৰী বিভাগেও ইয়াৰ বাসিন্দাসকলক সহায় সহযোগিতা আগবঢ়াই আহিছে।

## ৮ ~ মন্তব্য ~

উকিয়াম গাঁওখন সৰু আৰু ধুনীয়া অঞ্চল। সেই ঠাইত লোকসকল বৰ সহজ-সৰল। তাত পুৰুষৰ লগতে মহিলাসকলেও সমানেই উপাৰ্জন পথ বাচি লৈছে। কোনোপধ্যে মহিলাসকল পুৰুষতকৈ পিছু পৰি থকা নাই। পৰ্যটকক আকৰ্ষণ কৰিব পৰা বিশেষ বস্তুটো হৈছে তাত থকা নদীসমূহ, ওলোমা দলং আৰু গছ-গছনি-ৰে ভৰা প্ৰাকৃতিক পৰিৱেশ। যিয়ে সদায় উকিয়ামৰ ৰূপ-সৌন্দৰ্য্য অটুট ৰাখে। স্থানীয় লোকসকলে সেই ঠাইখনৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখি সংৰক্ষণ কৰি ৰাখে।

Principal
Chhamaria Anchalik College

Nodal Teacher,
Chhamaria Anchalik College

Teacher's Signature ..........




Nodal Teacher,
...aria Anchalik College

এই গাঁওখনক চৰকাৰে যদি আৰু অলপ গুৰুত্ব দিয়ে তেনেহ'লে ভৱিষ্যতৰ বাবে এই ঠাইখনত অধিক লোকে-লোকাৰণ্য হোৱা দেখা যাব, যাৰ জৰিয়তে স্থানীয় লোকসকলৰ ব্যৱসায়-বাণিজ্যৰ তৰফৰ পৰা লাভৱান হ'ব পাৰিব। ইয়াত কোনো উন্নত মানৰ চিকিৎসা ব্যৱস্থা আৰু শিক্ষা ব্যৱস্থাৰ বাবে উন্নত চিকিৎসালয় আৰু বিদ্যালয় নাই। এই ক্ষেত্ৰত চৰকাৰে কিছু ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

* * * *

Principal
Chhamaria Anchalik College

Nodal Teacher,
Chhamaria Ancnalik College